DAILY ASSAM

## ২২। বাক্য সম্প্ৰসাৰণ

**২২ : ১** মনৰ ভাব প্ৰকাশক বাক্য ইচ্ছানুযায়ী চুটি-দীঘল কৰিব পাৰি। যেতিয়া কোনো বাক্য এটি অন্য পদ, বাক্যাংশ বা অধীন খণ্ডবাক্য ব্যৱহাৰ কৰি সম্প্ৰসাৰিত হয় তাকেই বাক্য সম্প্ৰসাৰণ কোৱা হয়।

**২২ : ২** সাধাৰণতে একোটা বাক্যত উদ্দেশ্য আৰু বিধেয় দুটা ভাগ থাকে। উদ্দেশ্যৰ লগত অন্য পদ, বাক্যাংশ নাইবা অধীন খণ্ডবাক্য লগ লগাই সম্প্ৰসাৰণ কৰিব পাৰি। যথা–

**(ক) বিশেষণ পদ সংযোগ কৰি :**

(১) **অমায়িক** ছাত্ৰক সকলোৱে মৰম কৰে।

(২) বৰ **অমায়িক** ছাত্ৰক সকলোৱে মৰম কৰে।

**(খ) বিশেষণ স্থানীয় বাক্যাংশ যোগ কৰি :**

(১) **দেৱতুল্য** শিক্ষকজন সকলোৰে নমস্য।

(২) **বাহিৰৰপৰা অহা লোকে** বেমেজালিৰ সৃষ্টি কৰে।

**(গ) সমকাৰক পদ সংযোগ কৰি :**

(১) **গুৱাহাটীৰ বৰফুকন** লাচিতে মোগলক পৰাস্ত কৰিছিল।

(২) **অসমৰ ৰাজ্য** ভাষা অসমীয়া ভাৰতৰ অন্যতম উন্নত ভাষা।

**(ঘ) সম্বন্ধ পদ যোগ কৰি :**

(১) **দশৰথৰ পুতেকে** ৰাক্ষসকুল ধ্বংস কৰিছিল।

(২) **অসমৰ** অধিবাসীয়ে অসমীয়া ভাষা-সংস্কৃতিক সন্মান কৰা উচিত।

**(ঙ) খণ্ডবাক্য যোগ কৰি :**

(১) **যি যত্নেৰে ব্যাকৰণ পঢ়ে,** তেৱেঁই ভাষা শিকিব পাৰে।

(২) **যি কথা সৎ** সি সদায় সুন্দৰ।

**২২ : ৩** বাক্যৰ অন্তৰ্গত উদ্দেশ্যক যিদৰে সম্প্ৰসাৰণ কৰিব পাৰি নানান উপায়েৰে বিধেয়কো সম্প্ৰসাৰণ কৰিব পাৰি। যথা–

**(ক) ক্ৰিয়া-বিশেষণ যোগ কৰি :**

(১) ব্যাকৰণ সদায় নিয়মীয়াকৈ শিকিবা।

(২) লাহে লাহে গাড়ী চলাবা।

**(খ) ক্ৰিয়া-বিশেষণ স্থানীয় খণ্ডবাক্য ব্যৱহাৰ কৰি :**

(১) যিমানে শিকিবলৈ চেষ্টা কৰিবা সিমানেই জ্ঞান লাভ কৰিবা।

(২) মই যেনেকৈ লিখিব কৈছোঁ ঠিক তেনেকৈ লিখাঁ।

**(গ) ক্ৰিয়া-বিশেষণ স্থানীয় খণ্ডবাক্য ব্যৱহাৰ কৰি :**

(১) নিজৰ পাঠ যত্নসহকাৰে পঢ়িবাঁ।

(২) গুণীক সকলোৱে আদৰ-সাদৰকৈ মাতে।

DAILY ASSAM

**(ঘ) অসমাপিকা ক্রিয়া ব্যৱহাৰ কৰি :**

(১) বীণাই পৰিশ্ৰম কৰি ব্যাকৰণ শিকিছে।

(২) লৰাজনক মৰম কৰি নষ্ট কৰিলে।

**(ঙ) অসমাপিকা ক্রিয়াৰ কৰ্ম কৰণ আদি কাৰক যোগ কৰি :**

(১) ৰামে ৰাজ্যখন ভায়েকক এৰি দি বনবাস খাটিলে।

(২) পুলিচে চোৰটোক বেঁতেৰে কোবাই লৈ গৈছে।

**(চ) সমাপিকা ক্রিয়াৰ কৰ্ম আৰু কৰ্মৰ গুণবাচক পদ যোগ কৰি :**

(১) মই ছোৱালীজনীক ভাল পাওঁ।

(২) পঢ়িব জনা ছোৱালীজনীক সঁচাকৈ ভাল পাওঁ।

**(ছ) কৰণ, অপাদান, অধিকৰণ কাৰক আদি ব্যৱহাৰ কৰি :**

(১) মাকে হাতেৰে নামাৰি ভাতেৰে মাৰিছে।

(২) সি মিঠা মিঠা আম বজাৰৰপৰা আনিছে।

(৩) তাই নদীত সাঁতুৰিব নোৱাৰে।

(৪) সিহঁত ঘৰলৈ গৈ জ্যেষ্ঠসকলক নমস্কাৰ কৰিছে।

(৫) এই কথাবোৰ সি চিঠিৰে জনাইছে।

**(জ) সম্বন্ধ পদ :**

(১) এই কিতাপখন কাৰ?

(২) এইখন কিতাপ আমাৰ।

**(ঝ) কাল আৰু স্থানবাচক পদৰ যোগত :**

(১) যোৱা মাহত সি একোকে নকৰিলে।

(২) সি এতিয়াও বজাৰতে আছে।

## অনুশীলনী

তলত দিয়া বাক্যকেইটিৰ উদ্দেশ্য আৰু বিধেয়ক সম্প্ৰসাৰণ **কৰা :**

(ক) দয়া আৰু সহানুভূতি একে কথা নহয়।

(খ) পূজাৰীয়ে মানব সেৱা কৰাহে উচিত।

(গ) এপ্ৰিল মাহত পৰীক্ষা।

(ঘ) নদীৰ পানী ঘোলা।

(ঙ) মগনীয়াক ভিক্ষা দিবা।

(চ) আকাশত মেঘ উঠিছে।

(ছ) বসন্ত কাল মনোৰম।

(জ) পৰ্বতবোৰ ধুনীয়া।